ISSN : 2393-9818

# PIONEER

Volume- V; Issue- I; January-June, 2018
Indexed & Listed at ISSN National Centre, India.

*Editor-in-Chief :*
**Rameswar Kurmi**

*Editors :*
**Dr. Swapan Jyoti Nath**
**Mainul Hoque Akanda**

**Khagarijan College Research Forum**
Khagarijan College, Ghotahaibor,
Nagaon-782003, Assam, India
Email : khagarijancollege1@gmail.com

128

ISSN : 2393-9818, Vol-V, Issue- I
Indexed & Listed at ISSN National Centre, India

# সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত নাৰীবাদী ভাৱনা

*ডিম্বজ্যোতি বৰুৱা*

অৱতৰণিকা ঃ

আধুনিক অসমীয়া সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত যিকেইগৰাকী মহান সাহিত্যিকৰ শ্ৰম আৰু জীৱনজোৰা সাধনাৰ প্ৰভাৱ আছে সেইসকলৰ ভিতৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা অন্যতম। অসমীয়া সাহিত্যৰ চালুকীয়া অৱস্থাত জোনাকী যুগৰ অন্যান্য সাহিত্যিকসকলৰ দৰে লক্ষ্মীনাথ বেজবৰুৱায়ো সাহিত্য সৃষ্টিৰ মাজেৰে অসমীয়া সাহিত্যৰ ভেটি মজবুত কৰি থৈ গৈছে। উনবিংশ শতিকাৰ সাহিত্যিকসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাই হৈছে একমাত্ৰ সাহিত্যিকে যাৰ কাপ-মৈলামত সাহিত্যৰ অন্তৰ্গত সকলোবোৰ দিশ সফলভাৱে উন্মোচিত হৈছে। অসমীয়া সাহিত্যত চুটিগল্পৰ স্ৰষ্টাৰূপে পৰিচিত এইগৰাকী সাহিত্যিক চাৰিকুৰি গল্প ৰচনা কৰি অসমীয়া গল্পৰ ক্ষেত্ৰখনক চহকী কৰি তুলিলে। তেখেতৰ দ্বাৰা ৰচিত গল্পপুথি কেইখন হৈছে- 'সুৰভি' (১৯০৯), 'সাধুকথাৰ কুকি' (১৯১০), 'জোনবিৰি' (১৯১৩) আৰু 'কেঁহোকলি' (মৃত্যুৰ পাছত প্ৰকাশিত)। উল্লেখযোগ্য, বেজবৰুৱাৰ গল্পপুথি কেইখনত প্ৰকাশিত আটাইবোৰ গল্পকে কলা-কৌশল তথা গাঁথনিৰ ফালৰপৰা উৎকৃষ্ট গল্প বুলি ক'ব নোৱাৰি। বহুবোৰ গল্পত সাধুকথাৰ অলৌকিকতা পৰিলক্ষিত হয়। তথাপিও গল্পপুথি কেইখনত উৎকৃষ্টতম গল্পৰ পয়োভৰ নথকা নহয়। তেওঁৰ গল্পৰ বিষয় যেনেদৰে বৈচিত্ৰ্য তেনেদৰে





কাহিনীৰ পটভূমিও বিশাল আৰু বিস্তৃত। গল্পবোৰৰ বিষয়বস্তুবোৰত অসমৰ উপৰিও কলিকতা আৰু উৰিষ্যা অঞ্চলৰ ঘটনাৰ সমাহাৰ দেখা পোৱা যায়। বেজবৰুৱাৰ গল্পবোৰৰ মাজেদি প্ৰধানকৈ সমসাময়িক অসমীয়া সমাজৰ সামাজিক অৱস্থাৰ সবল উপস্থাপন ঘটিছে। শোষিত-নিষ্পেষিতৰ প্ৰতি দৰদ, সামাজিক ভণ্ডামি, কু-সংস্কাৰ, মানৱীয় আবেদন, নাৰীবাদী ভাৱনা আদি তেওঁৰ গল্পৰ প্ৰধান বৈশিষ্ট্য। বাল্য বিবাহৰ কু-পৰিণতি, বিধৱা নাৰীৰ কৰুণ বিননি, পুৰুষতান্ত্ৰিক সমাজৰ দ্বাৰা শোষিত-নিষ্পেষিত নাৰীৰ বিদ্ৰোহ আদি অনেক সমস্যা লক্ষ্মীনাথ বেজবৰুৱাৰ বহুবোৰ গল্পত সবল আৰু বলিষ্ঠ ৰূপত প্ৰতিভাত হৈছে। সমসাময়িক পুৰুষতান্ত্ৰিক সমাজে নাৰীক কৰি অহা শোষণ-নিষ্পেষণ আৰু নাৰীয়ে প্ৰতিবাদী চেতনাৰে সেইবোৰক প্ৰতিহত কৰাৰ লগতে নাৰীক পুৰুষৰ দৰে মানৱ সত্বা হিচাপে প্ৰতিষ্ঠা কৰিব বিচৰা মানসিকতাৰ মাজেৰে গল্পবোৰত সাম্প্ৰতিক সময়ৰ নাৰীবাদী ভাৱাদৰ্শৰ প্ৰকাশ ঘটিছে।

নাৰীবাদ হৈছে সপ্তদশ আৰু অষ্টাদশ শতিকাত পাশ্চাত্যত উন্মেষিত এক সামাজিক, ৰাজনৈতিক দৰ্শন। নাৰীবাদী দৰ্শনৰ মূল ভেটি নাৰীবাদী চেতনা বিশ্বত প্ৰথম প্ৰকাশ ঘটে অষ্টাদশ শতিকাৰ ফৰাচী দাৰ্শনিক কঁডচে (Condorcet) ৰ 'এডমিচন অব উইমিন টু ফুল চিটিজেনশ্বিপ' (৭৯) (Admission of Women to full Citizenship) নামৰ গ্ৰন্থত। গ্ৰন্থখনত কঁডচে পুৰুষৰ দৰে নাৰীকো পূৰ্ণ স্বাধীনতা দিব লাগে বুলি উল্লেখ কৰিছে। নাৰীবাদৰ মূল দৃষ্টিভংগী হ'ল- নাৰী আৰু পুৰুষৰ মূল্য বা গুৰুত্ব ফালৰ পৰা পাৰ্থক্যহীনতা। দুয়োটিয়েই একে মানৱ সত্বা। মানুহৰ প্ৰকৃতি আৰু মূল্য লিংগৰ ভিত্তিত বিচাৰ কৰা অনুচিত। এয়ে হ'ল নাৰীবাদৰ সাৰ কথা। এনে এটা আদৰ্শৰ আধাৰতে অসমীয়া গল্প সাহিত্যত নাৰীবাদী দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছিল। অৱশ্যে নাৰীবাদী ভাবধাৰা অসমীয়া সাহিত্যলৈ এক আন্দোলন ৰূপে অহাৰ আগতেই অসমীয়া গল্পকাৰসকলৰ গল্পত এনে দৃষ্টিভংগীৰ প্ৰকাশ ঘটিছিল। অসমীয়া চুটিগল্পৰ স্ৰষ্টা লক্ষ্মীনাথ বেজবৰুৱাৰ কিছুমান গল্পৰ মাজতো কম-বেছি পৰিমাণে নাৰীবাদী ভাৱাদৰ্শ প্ৰকট হৈ উঠা দেখা যায়। অৱশ্যে এই ভাৱাদৰ্শক সম্পূৰ্ণৰূপে নাৰীবাদ বুলিও ক'ব নোৱাৰি। ইয়াক নাৰীবাদী ভাবনা বুলি কোৱাহে সমীচীন হ'ব।

**অধ্যয়নৰ পৰিসৰ ঃ**

লক্ষ্মীনাথ বেজবৰুৱাই গল্প পুথিকেইখনৰ বহুবোৰ গল্পত নাৰী সমাজৰ বিভিন্ন সমস্যাীক আলোকপাত কৰিব বিচাৰিছে। সমকালীন সমাজে নাৰীৰ প্ৰতি কৰা অন্যায়-অত্যাচাৰ, শোষণ-নিষ্পেষণ আৰু দমনমূলক আধিপত্যতাই বেজবৰুৱাৰ সচেতন মনত ক্ৰিয়া কৰাৰ ফলতে তেওঁৰ কাপৰ পৰা নাৰীবাদী ভাৱাদৰ্শ প্ৰকাশ ঘটা গল্পৰ সৃষ্টি হয়। আমাৰ আলোচনা পত্ৰ 'সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত নাৰীবাদী ভাবনা' বিষয়টি আলোকপাত কৰিবলৈ যাওঁতে তেওঁৰ সুৰভি গল্পপুথিৰ অন্তৰ্গত 'লাওখোলা', জোনবিৰি গল্পপুথিৰ 'এৰাবাৰী' আৰু কেঁহোকলিৰ 'ললিতা কাকতী' আৰু 'পাটমুগী' শীৰ্ষক গল্পকেইটাৰ আধাৰতে বেজবৰুৱাৰ গল্পত নাৰীবাদী চিন্তা-চেতনা কেনেদৰে প্ৰকাশ ঘটিছে তাক বিচাৰ বিশ্লেষণ কৰিবলৈ বিচৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য আৰু পদ্ধতি ঃ**

এই আলোচনা মূল উদ্দেশ্য হৈছে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত কেনেদৰে নাৰীবাদী চিন্তাৰ প্ৰতিফলন ঘটিছে তাক প্ৰধানকৈ চাৰিটা গল্পৰ মাজেদি বিচাৰ বিশ্লেষণ কৰা। আলোচনাটি প্ৰস্তুত কৰিবলৈ যাওঁতে প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে। অৱশ্যে বৰ্ণনাত্মক পদ্ধতি প্ৰয়োগৰ জৰিয়তেও সিদ্ধান্তত উপনীত হ'বলৈ চেষ্টা কৰা হৈছে।

**বিষয় বিশ্লেষণ ঃ**

সপ্তদশ-অষ্টাদশ শতিকাত বিকাশ লাভ কৰা নাৰীবাদী চেতনাৰ মাজেদি সমাজত যাতে নাৰীসকলে পুৰুষৰ সমমৰ্যাদা লাভ কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। নাৰী আৰু পুৰুষক পৃথক ব্যক্তিসত্বা ৰূপে বিবেচনা নকৰি এক মানৱীয়সত্বা ৰূপে প্ৰতিষ্ঠা কৰিলেহে নাৰীসকলে সমাজত নিজৰ স্বকীয় অস্তিত্ব প্ৰকাশ কৰিব পাৰিব। পুৰুষতান্ত্ৰিক সমাজত নাৰীসকলৰ ওপৰত পূৰ্বৰে পৰা এক দমনমূলক মনোভাৱ পোষণ কৰি অহা হৈছে। তেওঁলোকৰ ওপৰত সমাজে নিজৰ সুবিধাৰ কাৰণে কিছুমান ধৰা-বন্ধা নীতি-নিয়ম তথা কাৰ্যপ্ৰণালী আৰোপ কৰি দিয়ে। যাৰ ফলত নাৰীসকলে পুৰুষতান্ত্ৰিক সমাজত পুৰুষৰ অধীনত থাকি নিজৰ স্বাধীনাত তথা অস্তিত্বক হেয় প্ৰতিপন্ন কৰিবলৈ বদ্ধপৰিকৰ। পুৰুষৰ





দৰে নাৰীয়েও জীৱনৰ পৰিপূৰ্ণতা বিচাৰে। সমাজে নাৰীৰ জীৱনৰ পৰিপূৰ্ণতা কেৱল বিবাহ, স্বামীসেৱা আৰু সন্তানৰ উৎপাদনতহে বিচাৰি পায় বুলি নাৰীবাদীসকলে ক'ব বিচাৰে; যাৰ ফলত নাৰীক পুৰুষে সদায় একোটা যৌন সত্বা (Sexual Being) বুলি জ্ঞান কৰে। পুৰুষৰ দৰে তেওঁলোককো এক মানৱসত্বা হিচাপে বিবেচনা কৰাটো নাৰীবাদীসকলে বিচাৰে। নাৰীবাদৰ এনেধৰণৰ ধ্যান-ধাৰণাক অৱলম্বন কৰি প্ৰাচ্য আৰু পাশ্চাত্যত বিভিন্ন ধৰণৰ সাহিত্যৰ সৃষ্টি হৈছে। এনে সাহিত্যসমূহৰ ভিতৰত উপন্যাস আৰু গল্পৰ মাজেদিয়ে নাৰীবাদী ভাবধাৰাক সকলো শ্ৰেণীৰ পাঠকলৈ প্ৰসাৰিত কৰিব পৰা যায়।

অসমীয়া সাহিত্যলৈ পাশ্চাত্য নাৰীবাদী ভাৱধাৰা আহে বিংশ শতিকাৰ শেষাৰ্দ্ধত। অৱশ্যে বিংশ শতিকাৰ আৰম্ভণিতে ৰচনা কৰা লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পত সচেতনভাৱে এনে ভাৱাদৰ্শ কম-বেছি পৰিমাণে পৰিলক্ষিত হোৱা দেখা যায়। উল্লেখযোগ্য, বেজবৰুৱাই তেখেতৰ গল্পত সচেতনভাৱে এনে ভাবাদৰ্শ প্ৰয়োগ কৰা নাছিল। তৎকালীন পুৰুষতান্ত্ৰিক সমাজত নাৰীক পুৰুষৰ সমমৰ্যাদা নিদিয়া, নাৰীক দমন কৰা আৰু নাৰীয়ে প্ৰতিবাদী চেতনাৰে নিজৰ অস্তিত্ব প্ৰতিষ্ঠা কৰিব বিচৰা মানসিকতাক বেজবৰুৱাই গল্পবোৰত সাৰ্থকভাৱে ফুটাই তুলিছে। বেজবৰুৱাৰ গল্পত দেখা পোৱা এনে চিন্তা-চেতনাৰ মাজত সাম্প্ৰতিক সময়ৰ নাৰীবাদী ভাবনাহে প্ৰকট হৈ উঠে।

নাৰীবাদী ভাবাদৰ্শ প্ৰকাশ ঘটা বেজবৰুৱাৰ উল্লেখযোগ্য গল্পটো হৈছে 'লাওখোলা', 'এৰাবাৰী', 'ললিতী-কাকতী' আৰু 'পাটমুগী'। সুৰভি গল্পপুথিৰ অন্তৰ্গত লাওখোলা গল্পত গাবৰু বিধবা নাৰী গৰাকীৰ মৰ্মন্তুদ বেদনাৰ মাজেৰে গল্পকাৰে সমকালীন পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ প্ৰস্থিতি কেনেকুৱা তাক প্ৰতিষ্ঠা কৰিব বিচাৰিছে। নাৰী-পুৰুষৰ অসমতাৰ সুযোগ লৈ পুৰুষতান্ত্ৰিক সমাজত নাৰী কেনেদৰে বঞ্চিত আৰু প্ৰতাৰিত হ'ব লগা হয় সেই কথা লাওখোলা গল্পত স্পষ্ট হৈ উঠিছে। সমাজৰ সুযোগ সন্ধানী এচাম পুৰুষে অনবৰতে নাৰীক ঠগ-প্ৰবঞ্চনাৰে নিজৰ সুবিধা আদায় কৰিব বিচাৰে। বেজবৰুৱাৰ উল্লিখিত গল্পটোৰ বিধবা তিৰোতা গৰাকীয়ে নিজৰ জেঠালৰ সংস্পৰ্শত থাকোতে সেই জেঠালেই সুযোগ বিচাৰি তাইক সৰ্বনাশ কৰি পেলায়। উপায়ন্তৰ হৈ সেই তিৰোতাগৰাকীয়ে শেষত আত্মহত্যাৰ পথকে বাচি লয়। অৱশ্যে এই আত্মহত্যাৰ মাজেৰে তিৰোতাগৰাকীৰ মাজত কোনোধৰণৰ



130

প্ৰতিবাদী চেতনা জাগ্ৰত হোৱা নাই। কিন্তু গল্পটোত প্ৰথম পুৰুষত বৰ্ণিত কথক আৰু সেই তিৰোতা গৰাকীৰ সপোনাৰ মাজেৰে প্ৰকাশ ঘটা চিন্তা-চেতনাত নাৰীবাদী ভাবাদৰ্শৰ প্ৰকাশ ঘটিছে বুলি ক'ব পাৰি। কাৰণ বিয়া কি বস্তু তাক জনাৰ আগতে বিধবা হোৱা তিৰোতা গৰাকীয়ে পুৰুষতান্ত্ৰিক সমাজ আৰু পুৰুষৰ বিৰুদ্ধে বিদ্ৰোহগাব হৈ উঠিছে। তেওঁ কৈছে —

> "হৰি হৰি! তিৰোতাৰ জীৱন দুখৰ জীৱন। তাক আৰু দুৰ্ভগীয়া কৰিবলৈ মতা সদায় সাজুঙ্গ বিয়া কাক বোলে তাক জনাৰ আগয়েই, আৰু স্বামী কাক বোলে তাক চকুৰে দেখাৰ আগেয়েই অৰ্থাৎ প্ৰকৃতপক্ষে স্বামীক পোৱাৰ আগেয়েই মই স্বামীক হেৰুৱালোঁ, বিধবা হলোঙ্গ! তোমালোক পুৰুষৰ কেনে যুক্তিঙ্গ! কেনে ন্যায়! তোমালোক আপোনপেটীয়া স্বাৰ্থপৰ জাতি। তিৰোতাৰ আগত বৰ-মতা বোলোৱা তোমালোকৰ স্বভাৱ।"
>
> (বেজবৰুৱা গ্ৰন্থাৱলী, পৃ- ৫৯৭)

তিৰোতা গৰাকীয়ে পুৰুষতান্ত্ৰিক সমাজৰ একনায়কত্ববাদী মনোভাবক তীব্ৰভাৱে প্ৰত্যাহ্বান জনাইছে। নাৰীক পুৰুষে যৌন সত্তা (Sexual Being) হিচাপে বিবেচনা নকৰি এক মানৱ সত্তা (Human Being) হিচাপে বিবেচনা কৰিলেহে সমাজত নাৰীৰ প্ৰকৃত মৰ্যাদা অটুট থাকিব। লাওখোলা গল্পৰ তিৰোতাগৰাকীয়ে নিজৰ ব্যক্তিসত্তা প্ৰতিষ্ঠাৰ পক্ষে ব্যক্ত কৰা চিন্তা-চেতনাত ব্যক্তিবাদী নাৰীবাদী ধাৰণাৰ প্ৰকাশ ঘটিছে। পুৰুষতান্ত্ৰিক সমাজত নাৰীয়ে বিধবা হোৱাৰ পিছত পুনৰ বিবাহ কৰাব নোৱাৰে। কিন্তু পুৰুষে পুনৰ বিবাহ কৰাত কোনোধৰণৰ বাধা নাই। নাৰী-পুৰুষৰ এনে বৈষম্যক প্ৰত্যাহ্বান জনাই তিৰোতাগৰাকীয়ে কথকৰ আগত ব্যক্ত কৰা মন্তব্যত নাৰীবাদী ভাবনাৰ প্ৰকাশ ঘটিছে এনেদৰে—

> "আমি এবাৰ স্বামী হেৰুৱাই তোমালোক পুৰুষৰ ব্যৱস্থামতে দুনাই বিয়া কৰাব নোৱাৰো; কিন্তু তোমালোকলৈ হ'লে সেই বাট একেবাৰে মুকলি ৰাজআলি। ঘৈণীয়েক মৰি থাকক যতবাৰ হয়, তোমালোকৰ যিমান মন যায় বিয়া কৰি থাকিবা; তালৈ শাস্ত্ৰই হাতত ছাতি ধৰি তোমালোকক আদৰি লগে লগে লৈ যাব।"
>
> (বেজবৰুৱা গ্ৰন্থাৱলী, পৃ-৫৯৮)

বেজবৰুৱাৰ গল্পত নাৰীবাদী ভাবনা প্ৰকাশ পোৱা আন এটা গল্প হৈছে 'ললিতী-





কাকতী'। কেঁহোকলি গল্পপুথিৰ অন্তৰ্গত এই গল্পটিৰ ললিতী-কাকতী নাম স্বামী নিৰ্যাতিতা নাৰী দৰাকীয়ে পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ ওপৰত পুৰুষে যুগে যুগে চলাই অহা নিৰ্যাতনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। শ্ৰীকান্ত হাজৰিকাৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপন কৰা ললিতী-কাকতীয়ে স্বামীৰ পৰা পোৱা শাৰীৰিক আৰু মানসিক অত্যাচাৰত অতীষ্ঠ হৈ পিতৃ গৃহলৈ ঘুৰি আহে। ললিতী-কাকতীয়ে শ্ৰীকান্ত হাজৰিকাৰ পুৰুষসুলভ দমনমূলক মানসিকতাক প্ৰত্যাহ্বান জনাই যিখন চিঠি তেওঁলৈ পঠাইছে, তাত সাম্প্ৰতিক সময়ৰ নাৰীবাদী ভাবাদৰ্শ স্পষ্ট ৰূপত প্ৰকাশ ঘটিছে। পুৰুষতান্ত্ৰিক সমাজত পুৰুষে যে নাৰীক পণ্য সামগ্ৰী হিচাপে ব্যৱহাৰ কৰিব বিচাৰে, সেই ধাৰণা ললিতী-কাকতীয়ে শ্ৰীকান্তক উদ্দেশ্যি প্ৰেৰণ কৰা পত্ৰত স্পষ্ট হৈ উঠিছে। পুৰুষতান্ত্ৰিক সমাজখনে নাৰীৰ বাবে পালনীয় সমাজ নিৰ্মিত নিৰ্দিষ্ট নীতি-নিয়ম কটকটীয়াকৈ বান্ধি দি নাৰীক দমন কৰিব বিচৰা ধ্যান-ধাৰণাক ললিতী-কাকতীয়ে তীব্ৰভাৱে প্ৰত্যাহ্বান জনাইছে এনেদৰে —

> তিৰুতাৰ ওপৰত অত্যাচাৰ আৰু দুৰ্ব্যৱহাৰ কৰিবলৈকে মাক-বাপেকে নিজৰ সন্তানক বুকুৰ পৰ ছিৰি পুৰুষৰ তিৰুতা কৰি দিয়ে নে? পুৰুষে তিৰুতাৰ স্বভাৱ চৰিত্ৰ নিৰ্মল হৈ থাকিবৰ নিমিত্তে দেখোন বৰ কটকটীয়া বিধি-বিধান দিয়ে, কিন্তু তেওঁলোকৰ নিজৰফালে তেনে বিধি-বিধানৰ বান্ধোনবোৰ ঢিলাশোলোকা কৰি লয় কিয়? তেওঁলোকে তিৰোতাৰ পৰা যেনে নিৰ্মল শুদ্ধ চৰিত্ৰ বিচাৰে, তিৰোতাও তেওঁলোকৰ পৰা তেনে বিচাৰিব নোৱাৰে কিয়?
>
> (বেজবৰুৱা গ্ৰন্থাৱলী, পৃ-৭৫৬)

নাৰীক পুৰুষৰ দৰে মানৱসত্তা হিচাপে প্ৰতিষ্ঠা কৰিব বিচৰা মানসিকতাই ললিতী-কাকতী চৰিত্ৰটোক ব্যক্তিবাদী নাৰীবাদলৈ উত্তৰণ ঘটাইছে। চৰিত্ৰটোৱে উদ্দেশ্যি কোৱা বক্তব্যত মানুহৰ ব্যক্তিসত্তাৰ বিকাশ সাধনৰ ধাৰণা প্ৰকট হৈ উঠিছে এনেদৰে—

> "স্বামী পাষণ্ড দুৰ্বৃত্ত দুৰাচাৰ মদপী কুচৰিত্ৰবান হলেও সেই বোৰলৈ আমি চকু নিদি, মাত্ৰ স্বামীসেৱাকেহে কৰি থাকিবলৈ তেওঁলোকে ব্যৱস্থা দিয়ে; কিন্তু তেওঁলোকে পাহৰে যে আমিও মানুহ। কিয়, তিৰোতা অলপ দোষতে যে পৰিত্যাগ কৰিবলগীয়া হয়, স্বামীৰ বেলিকা নো এই অন্ধভক্তি কিয়?"
>
> (বেজবৰুৱা গ্ৰন্থাৱলী, পৃ-৭৫৬)

ললিতী-কাকতীয়ে আকৌ কৈছে —

"আমি তিৰোতাবোৰ আপোনাসকল পুৰুষৰে নিচিনা মানুহহে, আপোনাসকলৰ ধেমালিৰ পুতলা, বা মাটিকলহ, বা ভৰিৰ খৰম বা গোহালিৰ গৰু-ছাগলী নহওঁ। আপুনি যেনেকৈ মোক পৰিত্যাগ কৰিলে, মোৰো আপোনাক অযোগ্য বিবেচনা কৰি পৰিত্যাগ কৰিবৰ অধিকাৰ সম্পূৰ্ণ আছে।"

(বেজবৰুৱা গ্ৰন্থাৱলী, পৃ-৭৫৬)

ললিতী-কাকতীৰ যুক্তিনিৰ্ভৰ প্ৰতিবাদী চেতনাত প্ৰথম অৱস্থাত ব্যক্তিবাদী নাৰীবাদী ধাৰণাৰ প্ৰকাশ ঘটিছিল যদিও সেই ধাৰণাই ক্ৰমান্বয়ে মৌল নাৰীবাদলৈ উত্তৰণ ঘটা যেন অনুমান হয়। মৌল নাৰীবাদৰ ধাৰণা মতে নাৰীয়ে পুৰুষৰ বিবাহপাশত আৱদ্ধ হোৱা মানেই নাৰীৰ সকলো স্বাধীনতা বিসৰ্জন দিয়া। পুৰুষৰ লগত থাকিলেও পুৰুষক পতি বা স্বামী হিছাপে বৰণ কৰি ল'বলৈ মৌল নাৰীবাদীসকল নাৰাজ।[৩] 'ললিতী-কাকতী' গল্পটোৰ ললিতী-কাকতীৰ আচৰণতো মৌল নাৰীবাদী ভাবনা প্ৰকাশ পাইছে এনেদৰে—

"তিৰোতাই অকল বিয়া কৰি স্বামীসেৱা কৰা আৰু সতি-সন্ততি জন্মাই লালন-পালন কৰাৰ বাহিৰে যে তিৰোতাৰ জীৱন ইহসংসাৰত সফল কৰিবলৈ আন কাম নাই, এইটো "কুমাৰী" শ্ৰীমতী ললিতী-কাকতীয়ে নামানে। বিয়াৰ দাসত্ব-শৃঙ্খলৰ বাহিৰে লক্ষ লক্ষ প্ৰকাৰৰ কাম আছে, য'ত লাগি থাকি তিৰোতাই নিজৰ জীৱন সফল কৰি মঙ্গলময় ঈশ্বৰৰ ৰাজ্যত মঙ্গলময়ৰ ইচ্ছা পূৰ্ণ কৰি নিজৰ জীৱন কটাই যাব পাৰে।"

(বেজবৰুৱা গ্ৰন্থাৱলী, পৃ-৭৫৬)

'ললিতী-কাকতী' দৰে কেঁহোকলি গল্পপুথিৰ অন্তৰ্গত 'পাটমুগী'ত পাটমুগী পুৰুষৰ দ্বাৰা প্ৰতাৰিত এগৰাকী নাৰী। প্ৰতাৰক স্বামী, সম্পৰ্কীয় খুৰাকৰ আচৰণ আৰু অফিচ-কাছাৰীৰ হাকিম-উকিলৰ শোষণে পুৰুষতান্ত্ৰিক সমাজৰ পুৰুষসুলভ মানসিকতাৰ পৰিচয় বহন কৰিছে। প্ৰতাৰক স্বামীৰ বিৰুদ্ধে কেছ নিদিয়াকৈ ঘুৰি আহি পাটমুগীয়ে সাধাৰণ তিৰোতাৰ দৰে নাথাকি মহাত্মা গান্ধীৰ আদৰ্শেৰে ৰাইজৰ সেৱা কৰিবলৈ ওলাই আহি পাটমুগীয়ে সাধাৰণ তিৰোতাৰ দৰে নাথাকি মহাত্মা গান্ধীৰ আদৰ্শেৰে ৰাইজৰ সেৱা কৰিবলৈ ওলাই অহা মানসিকতাক ব্যক্তিবাদী নাৰীবাদী ভাৱনাৰ লগত ৰিজাব পাৰি। অন্যহাতে 'জোনবিৰি' গল্পপুথিৰ অন্তৰ্গত





'এবাবাৰী' গল্পৰ বিধবা সৰু বোৱাৰীয়ে ঠগ-প্ৰবঞ্চক ভোগদত্তৰ কামনাৰ বলি হৈ পুখুৰীৰ বুকুত আশ্ৰয় লোৱা ঘটনাই পুৰুষপ্ৰধান সমাজত পুৰুষে নাৰীক শোষণ কৰাৰ প্ৰতিচ্ছবি ভাস্বৰ হৈ উঠিছে। অৱশ্যে ভোগদত্তৰ শোষণৰ বলি হৈ আত্মহত্যা কৰা সৰু বোৱাৰীৰ মৃত্যুৰ মাজেদি আওপকীয়াকৈ পুৰুষপ্ৰধান সমাজৰ বিৰুদ্ধে প্ৰতিবাদী ভাবাদৰ্শ সাব্যস্ত হৈছে বুলি ক'ব পাৰি।

## উপসংহাৰ

নাৰীৰ বাবে নাৰীবাদেই হৈছে মানৱতাবাদ। নাৰী জীৱনৰ মৌলিক সমস্যাৰ লগতে সমাজত নাৰীয়ে পুৰুষৰ দৰে সমমৰ্যাদা লাভ কৰিব পৰাতেই নাৰীবাদৰ সাৰ্থকতা ফুটি উঠে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ আলোচিত গল্পকেইটাৰ মাজতো নাৰী জীৱনৰ মৌলিক সমস্যা দাঙি ধৰিবলৈ সক্ষম হৈছে। তেওঁৰ 'লাওখোলা' আৰু 'ললিতী-কাকতী' গল্প দুটাত নাৰীবাদী ভাবাদৰ্শৰ সাৰ্থক প্ৰকাশ ঘটিছে বুলি ক'ব পাৰি। 'লাওখোলা' গল্পৰ বিধবা তিৰোতা গৰাকী আৰু 'ললিতী-কাকতী' গল্পৰ ললিতী-কাকতীয়ে তৎকালীন পুৰুষতান্ত্ৰিক সমাজৰ শোষণৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি পুৰুষৰ দৰে নাৰীৰ ব্যক্তিসত্তা প্ৰতিষ্ঠা কৰিব বিচাৰিছে। অৱশ্যে অন্যান্য গল্পকেইটাৰ মাজত নাৰীবাদৰ বিষয় প্ৰত্যক্ষভাৱে নোলালেও কাহিনীৰ পটভূমিৰ লগতে দুই এটা চৰিত্ৰৰ বলিষ্ঠ প্ৰতিবাদে গল্পকেইটাক নাৰীবাদী গল্পৰ শাৰীলৈ উত্তৰণ ঘটাইছে। উল্লেখযোগ্য, লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ গল্পত তৎকালীন সমাজত দেখা পোৱা নাৰীৰ শোষণ-নিস্পেষণৰ বিৰুদ্ধেহে প্ৰতিবাদ সাব্যস্ত কৰিব বিচাৰিছিল। তেখেতৰ গল্পত প্ৰতিভাত হোৱা এনে প্ৰতিবাদৰ মাজতে সাম্প্ৰতিক সময়ৰ সাহিত্য সমালোচনাত আলোচিত নাৰীবাদী ভাবাদৰ্শৰ প্ৰকাশ ঘটিছে বুলি ক'ব পাৰি।

**প্ৰসঙ্গ টোকা ঃ**

১। দত্ত, বিনীতা ঃ অসমীয়া সাহিত্যত নাৰী; পৃষ্ঠা - ২৬০
২। শৰ্মা, গোবিন্দ প্ৰসাদ ঃ নাৰীবাদ আৰু অসমীয়া উপন্যাস; পৃষ্ঠা - ১
৩। পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা - ৯



131